**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 17-01-2026
**Time :** 18-00 Hrs.

***Assamese Evening Bulletin***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত আজি সন্ধিয়া ৬ বজাত সৰুসজাইত প্ৰায় ১০ হাজাৰ শিল্পীৰ বাগৰুম্বা নৃত্য প্ৰদৰ্শন। গুৱাহাটীত প্ৰধানমন্ত্ৰীক জনগোষ্ঠীয় নৃত্যৰে আদৰণি।

২। দেশৰ প্ৰথমখন বন্দে ভাৰত শ্লীপাৰ ৰে'লগাড়ী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাৰ্চুৱেল ব্যৱস্থাৰে মালদহৰ পৰা উদ্বোধন। ৰে'লখনে অসম আৰু পশ্চিমবংগৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আশা প্ৰকাশ।

৩। ১৬ ফেব্ৰুৱাৰীৰ পৰা অসম বিধানসভাৰ বাজেট অধিবেশন। *আৰু*

৪। ৰাজ্যজুৰি বৰ্ণাঢ্য কাৰ্যসূচীৰে শিল্পী দিৱস উদ্‌যাপন।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ  মোদীৰ উপস্থিতিত আজি সন্ধিয়া ৬ বজাত সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত প্ৰায় ১০ হাজাৰ শিল্পীয়ে বড়োসকলৰ বাগৰুম্বা নৃত্য প্ৰদৰ্শন কৰিব। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ অংশস্বৰূপ বড়োসকলৰ বাগৰুম্বা নৃত্যৰ বিশ্বজুৰি প্ৰসাৰৰ অৰ্থে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰীগৰাকী পশ্চিমবংগ ভ্ৰমণ সামৰি দুদিনীয়া অসম ভ্ৰমণসূচীৰে ইতিমধ্যে গুৱাহাটীত উপস্থিত হৈছে। বিমান বন্দৰৰ বাহিৰত জনগোষ্ঠীয় নৃত্য গীতেৰে প্ৰধানমন্ত্ৰীগৰাকীক আদৰণি জনোৱা হয়। আজি নিশা প্ৰধানমন্ত্ৰীগৰাকী কইনাধৰাৰ চৰকাৰী অতিথিশালাত কটাব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ভালেমান উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব আৰু দুখন ৰে'লগাড়ী যাত্ৰাৰ শুভাৰম্ভ কৰিব।

প্ৰধানমন্ত্ৰী মোদীয়ে কাইলৈ কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙা এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। এই এলিভেটেড কৰিড'ৰে ৰাষ্ট্ৰীয় উদ্যানৰ জীৱ-জন্তু বাধাহীনভাৱে আহ-যাহ সুনিশ্চিত কৰিব আৰু মানুহ আৰু জীৱ-জন্তুৰ সংঘাত হ্ৰাস কৰাত সহায় কৰিব। এলিভেটেড কৰিড'ৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে পথ সুৰক্ষা বৃদ্ধি পাব, যাত্ৰাৰ সময় ৰাহি হ'ব আৰু দুৰ্ঘটনাৰ হাৰ হ্ৰাস পাব।

প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণৰ সময়তে **ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ** আৰু **কামাখ্যাৰ পৰা ৰহটকলৈ** চলিবলগীয়া দুখন নতুন অমৃত ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব। এই নতুন ৰে'ল সেৱাই উত্তৰ-পূৰ্বাঞ্চল আৰু উত্তৰ ভাৰতৰ মাজৰ ৰে'ল যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পশ্চিমবংগৰ মালদা টাউন ৰে'ল ষ্টেচনৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে কামাখ্যা আৰু হাওৰাৰ মাজত চলাচল কৰিবলগীয়া দেশৰ প্ৰথমখন বন্দে ভাৰত শ্লীপাৰ ৰে'লগাড়ী যাত্ৰাৰ শুভাৰম্ভ কৰে। আধুনিক ভাৰতৰ বৰ্ধিত পৰিবহন চাহিদা অনুযায়ী নিৰ্মাণ কৰা সম্পূৰ্ণৰূপে শীত-তাপ নিয়ন্ত্ৰিত এই ৰে'লগাড়ীখনে

বহনসাধ্য দৰত যাত্ৰীসকলক বিমান যাত্ৰাৰ দৰে সুবিধা আৰু অভিজ্ঞতা প্ৰদান কৰিব। এই ৰে'লগাড়ীখনে দূৰণিবটীয়া যাত্ৰা অধিক ক্ষিপ্ৰ, নিৰাপদ আৰু সুবিধাজনক কৰি তুলিব বুলি আশা কৰা হৈছে।

ইপিনে, এই উপলক্ষে মালিগাঁওৰ কামাখ্যা ষ্টেছনত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, যে এই ৰে'লসেৱাই গুৱাহাটী আৰু কলকাতাৰ মাজৰ যাতায়াত ব্যৱস্থা সূচল কৰাৰ লগতে যাত্ৰীৰ সময় ৰাহি কৰিব। এই অত্যাধুনিক ৰে'লখনে ঐতিহাসিক আৰু সাংস্কৃতিকভাৱে বান্ধ খাই থকা দুয়োখন ৰাজ্যৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত গুৱাহাটীৰ পৰা হাওৰালৈ ৰে'ল সেৱা মুকলিৰ বাবে প্ৰধানমন্ত্ৰী মোদী আৰু কেন্দ্ৰীয় ৰেল মন্ত্ৰী অশ্বিনী বৈষ্ণৱক কৃতজ্ঞতা জ্ঞাপন কৰে। অসম প্ৰদেশ বিজেপিৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়াইও ৰঙিয়া ষ্টেছনৰ পৰা পতাকা জোকাৰি ৰেলযাত্ৰাৰ শুভাৰম্ভ কৰে। ০০০০

০০০০০

অসম বিধানসভাৰ বাজেট অধিৰেশন ১৬ ফেব্ৰুৱাৰীৰ পৰা চাৰিদিনীয়াকৈ অনুষ্ঠিত হ'ব। বিধানসভা সচিবালয়ে এই সন্দৰ্ভত অধিসূচনা জাৰি কৰিছে। সমাগত বিধানসভা নিৰ্বাচনৰ বাবে এইবেলি পূৰ্ণাঙ্গ বাজেটৰ পৰিৱৰ্তে লেখানুদান দাখিল কৰা হ'ব।

০০০০০

আজি শিল্পী দিৱস। সুন্দৰৰ পূজাৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৭৫ সংখ্যক স্মৃতি দিৱস আজি ৰাজ্যজুৰি শিল্পী দিৱস হিচাপে পালন কৰা হৈছে। ১৯৫১ চনৰ ১৭ জানুৱাৰীত দেহাৱসান ঘটা সব্যসাচী শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই প্ৰতিবছৰে আজিৰ দিনটো শিল্পী দিৱস হিচাপে পালন কৰি অহা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি শিল্পী দিৱস উপলক্ষে ৰূপকোঁৱৰৰ সোঁৱৰণত ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হয়।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শিল্পী দিৱসৰ পবিত্ৰ ক্ষণত অসমীয়া সংস্কৃতিক নৱ চেতনাৰে জাতিস্কাৰ কৰা সুন্দৰৰ পূজাৰী, মহান শিল্পী অসমীয়া কথাছবি পথদ্ৰষ্টা, স্বাধীনতা সংগ্ৰামী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। তেওঁ ৰূপকোঁৱৰৰ চিন্তা-চেতনাই আমাৰ সমাজ জীৱন আলোকিত কৰিব বুলি আশা প্ৰকাশ কৰে।

চৰাইদেউ জিলা প্ৰশাসনৰ উদ্যোগত বৰ্ণাঢ্য কাৰ্য্যসূচীৰে শিল্পী দিৱস উদযাপন কৰা হয়। দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই সন্দৰ্ভত জিলাখনৰ আকাশবাণীৰ প্ৰতিনিধি নাবুল কোঁৱৰে এইদৰে কয়-

-বাইট(নাবুল কোঁৱৰ)-

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্মস্থান ডিব্ৰুগড় জিলাৰ তামোলবাৰীত আজি বন্তি জ্বলাই শিল্পীগৰাকীৰ ৭৫ সংখ্যক মৃত্যু তিথি পালন কৰা হয়।

শিৱসাগৰ জিলাৰ প্ৰশাসনৰ উদ্যোগত আজি স্থানীয় জিলা পুথিভৰাল প্ৰাংগণত শিল্পী দিৱস ২০২৬ৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত তিনিটা শাখাত জ্যোতি সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে মুকলি সভাৰো আয়োজন কৰা হৈছে।

০০০০০

শিৱসাগৰ জিলাৰ আইন শৃংখলা পৰিস্থিতিৰ অৱনতি ঘটাৰ আশংকাত জিলা প্ৰশাসনে আজি ধাৰা ১৬৩ বি এন এছ এছ অনুসৰি নিষেধাজ্ঞা জাৰি কৰিছে। জিলা দণ্ডাধীশ স্বাক্ষৰিত নিৰ্দেশ অনুসৰি আজিৰ পৰা ৬০ দিনলৈ নিষেধাজ্ঞা বলবৎ থাকিব। নিষেধাজ্ঞা অনুসৰি অনুমতি অবিহনে ৫ জন বা তাতকৈ অধিক লোকৰ সমাবেশত বাধা আৰোপ কৰা হৈছে। যিকোনো ধৰণৰ ছান্দা সংগ্ৰহ, প্ৰতিকৃতি দাহ, পথ অৱৰোধ, ৰাজহুৱা সম্পত্তি ধ্বংস আদিৰ ওপৰতো

নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ইয়াৰ লগতে জিলাখনৰ সংৰক্ষিত কীৰ্তিচিহ্নৰ ২০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত কৰ্তৃত্বহীন ব্যক্তি বা সংগঠনৰ প্ৰবেশ নিষিদ্ধ কৰা হৈছে।

০০০০০

চৰাইদেউ জিলাত অহা ১৯ জানুৱাৰীৰ পৰা ১৫ বছৰৰ পৰা ৬৫ বছৰ বয়সৰ লোক সকলৰ বাবে জাপানীজ এনকেফেলাইটিছৰ টিকাকৰণ অভিযান অনুষ্ঠিত হব। এই অভিযান ফেব্ৰুৱাৰীৰ মাহৰ প্ৰথম সপ্তাহলৈ চলিব বুলি চৰাইদেউ জিলা যুটীয়া স্বাস্থ্য সঞ্চালকে জানিবলৈ দিছে। জিলাখনৰ সকলো চৰকাৰী স্বাস্থ্য প্ৰতিষ্ঠান, উপস্বাস্থ্য কেন্দ্ৰ, টিকাকৰণ স্থানসমূহৰ লগতে গাঁৱে গাঁৱে বিশেষ শিবিৰ পাতি টিকা প্ৰদান কৰা হ'ব। অতিৰিক্ত মুখ্য স্বাস্থ্য আৰু চিকিৎসা বিষয়া ডাঃ সোণালী চেতিয়াই সোণাৰীত আজি অনুষ্ঠিত এখন সংবাদমেল যোগেএই বিষয়ে জানিবলৈ দিয়ে। এই কাৰ্যসূচীত জিলাখনৰ মুঠ ২ লাখ ২১ হাজাৰ ২৬০ গৰাকী লোকক সামৰি লোৱা হৈছে।

০০০০০

চৰকাৰী পেঞ্চনাৰ সন্থা, অসমৰ ৬৯ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি মাজুলীত দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। এই উপলক্ষে কমলাবাৰীত থকা জিলা পেঞ্চনাৰ ভৱনৰ সন্মুখত পুৱা সন্থাৰ পতাকা উত্তোলনেৰে কাৰ্যসূচী অনুষ্ঠিত হয়। মাজুলী জিলা কৰ্মচাৰী পেঞ্চনাৰ সন্থাৰ সভাপতি কৃষ্ণকমল শইকীয়াই পতাকা উত্তোলন কৰে। মুকলি সভাত কেইবাজনো ব্যক্তিয়ে বক্তব্য আগবঢ়ায়।

০০০০০

যোৰহাটৰ জগন্নাথ বৰুৱা বিশ্ববিদ্যালয় খেলপথাৰত আজিৰে পৰা আন্তঃবিদ্যালয় বাস্কেট বল প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। যোৰহাট ক্ৰীড়া সন্থাৰ উদ্যোগত আয়োজিত এই প্ৰতিযোগিতাত ১০ খন বিদ্যালয়ে অংশগ্ৰহণ কৰে। অসম বাস্কেট সন্থাৰ প্ৰাক্তন উপ সভাপতি নাৰায়ণ হাতীবৰুৱাই এই প্ৰতিযোগিতাখন উদ্বোধন কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ